**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 05-03-2026** **Time : 1845 Hrs**

ASSAMESE EVENING BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::**

০০০০০০০০

১। ৰাজ্যসভাত অসমৰ খালী হ'বলগীয়া ৩ খন আসনৰ বাবে এন ডি এ মিত্ৰজোঁটৰ ৩ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন দাখিল।

২। আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি। ধেমাজিত মুখ্যমন্ত্ৰীৰ জন আশীৰ্বাদ যাত্ৰাত অংশগ্ৰহণ।

৩। নদী পৰ্যটন আৰু বহনক্ষম বিকাশৰ লক্ষ্যৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ গুৱাহাটীৰ লাচিতঘাটত ব্ৰহ্মপুত্ৰ আলোকস্তম্ভৰ আধাৰশিলা স্থাপন।

৪। ৰাজ্যৰ প্ৰশাসনিক বিভাগত ব্যাপক সাল-সলনি।

**আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ক্ষন্তেক পাছতে ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০০

ৰাজ্যসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ আজি অন্তিম দিনা অসমৰ খালী হ'বলগীয়া ৩ খন আসনৰ বাবে এন ডি এ মিত্ৰজোঁটৰ ৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। বিজেপিৰ তেৰছ গোৱালা, যোগেন মহন আৰু ইউ পি পি এলৰ মুৰববী প্ৰমোদ বড়োৱে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাৰ উপস্থিতিত মনোনয়ন দাখিল কৰে। তিনিওগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ সম্ভাৱনা আছে। এতিয়ালৈকে বিৰোধী পক্ষৰ কোনো সদস্যই মনোনয়ন দাখিল কৰা নাই।

উল্লেখযোগ্য যে ১৬ মাৰ্চত অসমসহ অন্যান্য ৰাজ্যত খালী হ'বলগীয়া ৰাজ্যসভাৰ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০০

নিৰ্বাচন আয়োগে সমাগত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰা নাই যদিও প্ৰতিটো ৰাজনৈতিক দলে নিৰ্বাচনকেন্দ্ৰিক তৎপৰতা বৃদ্ধি কৰিছে। শাসনাধিষ্ঠিত বিজেপিয়ে আজি বিপিএফ আৰু অসম গণ পৰিষদ দলৰ সৈতে নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা চূড়ান্ত কৰে। আজি বশিষ্ঠৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত এটা যোগদান কাৰ্যসূচীত অংশ লোৱাৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা ঘোষণা কৰে। তেওঁ কয়, যে দুয়োটা ৰাজনৈতিক দলৰ সৈতে কোনো বন্ধুত্বমূলক প্ৰতিদ্বন্দ্বিতা নথকাটো চূড়ান্ত হৈছে আৰু ৰাষ্ট্ৰীয় নেতৃত্বৰ অনুমোদন লাভ কৰাৰ পাছত মিত্ৰতা সন্দৰ্ভত চূড়ান্ত ঘোষণা কৰা হ'ব। বকো, দুধনৈ আৰু গোৱালপাৰা পশ্চিম সমষ্টিৰ বাবে ৰাভা যৌথ সংগ্ৰামী মঞ্চৰ সৈতেও মিত্ৰতাৰ সিদ্ধান্ত লোৱা হৈছে বুলি তেওঁ কয়।

**বাইট (চি এম)**

উল্লেখযোগ্য যে কংগ্ৰেছ দলৰ তিনিগৰাকী বিধায়কে আজি বিজেপিত যোগদান কৰে। বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত আয়োজিত অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে অন্যান্য শীৰ্ষ নেতাৰ উপস্থিতিত ৰহাৰ বিধায়ক শশীকান্ত দাস, মংগলদৈৰ বিধায়ক বসন্ত দাস আৰু উত্তৰ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক কমলাক্ষ দে' পুৰকায়স্থই দলটোত যোগ দিয়ে।

বিজেপিয়ে আজি ধেমাজিৰ পৰা জোনাইলৈ আয়োজন কৰা **জন আশীৰ্বাদ** যাত্ৰাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই অংশগ্ৰহণ কৰে। এই যাত্ৰাত মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু সাংসদ প্ৰদান বৰুৱাই অংশ লৈছে। ধেমাজিৰ পৰা আৰম্ভ হোৱা এই **জন আশীৰ্বাদ** যাত্ৰাত মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে গোগামুখ, ধেমাজি নগৰ আৰু চিচিবৰ গাঁৱত বিশাল ৰোডশ্ব'ত অংশগ্ৰহণ কৰে। তেওঁ ইয়াৰ পাছত কুলাজান, জোনাই-চিলাপথাৰ সংযোগী পথ, চিমেন চাপৰি আৰু জোনাইত ৰোডশ্ব'ত ভাগ লয়।

উল্লেখযোগ্য যে কংগ্ৰেছ আৰু ৰাইজৰ দলে ইতিমধ্যে এখনকৈ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। কংগ্ৰেছ দলে ৪২ গৰাকী প্ৰাৰ্থীৰ নাম সন্নিৱিষ্ট আৰু ৰাইজৰ দলে ১১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ঘোষণা কৰিছে।

০০০০০০

পশ্চিম এছিয়াৰ সংঘৰ্ষৰ সৈতে কেইবাখনো দেশ জড়িত হোৱাৰ ফলত এই সংঘৰ্ষ অধিক তীব্ৰতৰ হৈ উঠিছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ বাহিনীয়ে যুটীয়াভাৱে ইৰাণৰ ওপৰত আক্ৰমণ চলোৱাৰ বিপৰীতে তেহৰাণে ক্ষেপনাস্ত্ৰ আৰু ড্ৰোণেৰে ইয়াৰ প্ৰত্যুত্তৰ দিছে। সংঘৰ্ষত অঞ্চলটোৰ ভিন ভিন অংশলৈ সম্প্ৰসাৰিত হৈছে আৰু ইৰান সমৰ্থিত সশস্ত্ৰ গোট হিজবুল্লাইও আক্ৰমণত যোগ দিছে। কেইবাখনো দেশে সাম্প্ৰতিক পৰিস্থিতিয়ে আঞ্চলিক সুস্থিৰতা আৰু গোলকীয় সুৰক্ষালৈ ভাবুকি কঢ়িয়াই অনালৈ চাই উদ্বেগ প্ৰকাশ কৰিছে আৰু উত্তেজনা হ্ৰাস কৰিবলৈ আহ্বান জনাইছে। শেহতীয়া বাতৰি অনুসৰি আজাৰবাইজানে ইৰানে নখছিৱান অঞ্চলত ড্ৰোণেৰে আক্ৰমণ চলোৱা বুলি অভিযোগ উত্থাপন কৰিছে। আজাৰবাইজানৰ বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এটা ড্ৰোণ নখছিৱানৰ বিমান বন্দৰৰ ওচৰত আৰু আন এটা এখন স্কুলৰ সমীপত ভূপতিত হৈছে। এই ঘটনাত দুজন লোক আহত হয়। কাটাৰেও ইৰানৰ বিৰুদ্ধে ক্ষেপনাস্ত্ৰল আক্ৰমণৰ অভিযোগ উঠিছে। চৌদি আৰৱে দেশখনৰ বায়ু প্ৰতিৰক্ষা প্ৰণালীয়ে কেইবাটাও ড্ৰোণ ধ্বংস কৰা বুলি দাবী কৰিছে। ইৰানে আজি পুৱাৰ ভাগত ইজৰাইল আৰু আমেৰিকাৰ কেইবাটাও ঘাটিক লক্ষ্য কৰি আক্ৰমণ চলায়। ইৰানে কয় যে ভাৰত মহাসাগৰত ইৰানৰ যুদ্ধজাহাজ ধ্বংস কৰাৰ বাবে আমেৰিকাই অনুতাপ কৰিব লাগিব। আমেৰিকাৰ নৌসেনাই মঙলবাৰে নিশা ভাৰত মহাসাগৰত ইৰানৰ যুদ্ধজাহাজক লক্ষ্য কৰি আক্ৰমণ চলাইছিল। এই আক্ৰমণত ইৰাণৰ ৮৭জন নাবিক নিহত হৈছে। ইৰানে লগতে ইজৰাইলৰ ডিমোনা পৰমাণুস্থলীক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ ভাবুকি দিছে। ইজৰাইলৰ সেনাই লেবাননত হিজবুল্লাৰ কেইবাটাও কেন্দ্ৰত আঘাত হনাৰ বাতৰি পোৱা গৈছে।

০০০০০০০০

নদী পৰ্যটনৰ সৰলীকৰণ আৰু বহনক্ষম বিকাশ নিশ্চিত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ লাচিতঘাটত ব্ৰহ্মপুত্ৰ আলোকস্তম্ভৰ আধাৰশিলা স্থাপন কৰে। বগীবিল, পাণ্ডু, বিশ্বনাথ ঘাট আৰু শিলঘাটত মুঠ ৮৪ কোটি টকা ব্যয় সাপেক্ষে এই আলোকস্তম্ভসমূহ নিৰ্মাণ কৰা হ'ব। এই আলোকস্তম্ভসমূহে ব্ৰহ্মপুত্ৰৰে সুৰক্ষিত আৰু নিৰবচ্ছিন্ন জাহাজ চলাচল, ২ নম্বৰ ৰাষ্ট্ৰীয় জলপথৰ যাত্ৰী আৰু মালবাহী জাহাজৰ চলাচল বৃদ্ধি, প্ৰমোদতৰী পৰ্যটন তথা স্থানীয় উদ্যমিতাৰ প্ৰসাৰ আৰু কৰ্মসংস্থাপন সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত ব্ৰহ্মপুত্ৰক পূৰ্ণাংগ মালবাহী কৰিডৰ

হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ ফলত লজিষ্টিক ব্যয় হ্ৰাস হোৱাৰ উপৰি ৰাষ্ট্ৰীয় ঘাইপথসমূহত যাতায়াতৰ ভিৰ কমাৰ লগতে ৰাজ্যৰ উদ্যোগসমূহৰ বাবে শক্তিশালী যোগান শৃংখলা গঢ়ি উঠিব বুলি শ্ৰীসোণোৱালে প্ৰকাশ কৰে।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

দেশৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অভ্যন্তৰীণ জলপথত আলোকস্তম্ভ আন্তঃগাঁথনি স্থাপনৰ পথ প্ৰশস্ত হৈছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এয়া হৈছে ৰাজ্যখনৰ বাবে এটা গৌৰৱৰ মুহূৰ্ত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বহনক্ষম অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতি। আজিৰ আধাৰশিলা স্থাপন কাৰ্যসূচীত মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, জয়ন্ত মল্লবৰুৱা আৰু চৰণ বড়োৰ লগতে সাংসদ বিজুলী কলিতা মেধি তথা বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য উপস্থিত থাকে।

0000000

ৰাজ্যৰ প্ৰশাসনিক বিভাগত ব্যাপক সাল-সলনি কৰা হৈছে। এই অনুসৰি অসম ঔদ্যোগিক আন্তগাঁথনি উন্নয়ন পৰিষদৰ অতিৰিক্ত সঞ্চালক নৰেন্দ্ৰ কুমাৰ সাহক মুখ্যমন্ত্ৰী সচিবালয়ৰ অতিৰিক্ত দায়িত্ব প্ৰদান কৰা হৈছে। গৃহ বিভাগৰ আয়ুক্ত সচিব পাৰ্থপ্ৰতীম মজুমদাৰক বজালীৰ জিলা আয়ুক্ত হিচাপে বদলি কৰা হৈছে। প্ৰীতি কুমাৰীক কাৰ্বি আংলঙৰ, বিত্ত বিভাগৰ যুটীয়া সচিব আয়ুষী জৈনক দৰঙৰ আয়ুক্ত হিচাপে বদলি কৰা হৈছে। দৰঙৰ আয়ুক্ত পূৰালী গোহাঁইক গোলাঘাটৰ আয়ুক্ত দায়িত্ব প্ৰদান কৰা হৈছে। একেদৰে, পশ্চিম কাৰ্বি আংলঙৰ আয়ুক্ত সাৰংগপাণি শৰ্মাক পৰিবহন বিভাগৰ সচিবৰ দায়িত্ব দিয়া হৈছে। বাক্সাৰ আয়ুক্ত গৌতম দাসক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সচিব আৰু চিৰাঙৰ আয়ুক্ত যতীন বৰাক সাধাৰণ প্ৰশাসন বিভাগৰ সচিবৰ দায়িত্ব অৰ্পন কৰা হৈছে। লখিমপুৰৰ আয়ুক্ত প্ৰণৱজিৎ কাকতিক দক্ষতা বিকাশ আৰু উদ্যোগ বিভাগৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে। মিনাক্ষী দাস নাথক অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অতিৰিক্ত দায়িত্বৰ পৰা আঁতৰোৱা হৈছে।

00000000

সদৌ টাই আহোম ছাত্ৰ সন্থাই জিলাখনৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ সংৰক্ষণ আৰু দখলমুক্ত কৰাৰ বাবে দাবী জনাইছে। শিৱসাগৰত আজি এখন সংবাদ মেলত টাই আহোম ছাত্ৰ সন্থাৰ জিলা সমিতিৰ সভাপতি অখিল আহোম আৰু সম্পাদক পাৰ্থ গগৈয়ে যমুনা, কাৰেং ঘৰ, তলাতল ঘৰ, ৰংগনাথ দ'ল, ফাকুৱা দ'ল আৰু পহুগড়ৰ সংৰক্ষণৰ বাবে শীঘ্ৰেই পদক্ষেপ ল'বলৈ আহ্বান জনায়।

বাইট (পাৰ্থ গগৈ)

কেন্দ্ৰীয় আৰু ৰাজ্যিক পূৰাতত্ব বিভাগে দায়িত্ব পালন কৰাত ব্যৰ্থ হোৱাৰ বাবে বহু ঐতিহাসিক সম্পদ ধবংসমুখত পৰা বুলি তেওঁলোকে অভিযোগ কৰে। সদৌ টাই আহোম ছাত্ৰ সন্থাই এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ লগতে সংশ্লিষ্ট বিভাগসমূহলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

00000000

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি জাগীৰোডত অসম দৰ্শন আঁচনিৰ চেক বিতৰণ কৰে। জাগীৰোডৰ বহুমুখী প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত অঞ্চলটোৰ ১৫০খন উপাসনাস্থলীক চেক বিতৰণ কৰা হয়। মন্ত্ৰীগৰাকীয়ে উপাসনাস্থলীসমূহে সমাজত আধ্যাত্মিক চিন্তা-চৰ্চা অব্যাহত ৰখাৰ লগতে ঐতিহ্য, সংস্কৃতি সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আস্থা প্ৰকাশ কৰে।

00000000

বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ এন এছ এছ গোটৰ উদ্যোগত সাতদিনীয়াকৈ অনুষ্ঠিত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশেষ শিবিৰৰ আজি সামৰণি পৰে। যোৱা ২৬ ফেব্ৰুৱাৰীত জিলাখনৰ বাটিয়ামাৰী গাঁৱত এই শিবিৰ মুকলি কৰা হৈছিল। এই বিশেষ শিবিৰত সামাজিক সেৱা আৰু ৰাষ্ট্ৰ গঠনত সামুদায়িক অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱকসকলে গছপুলি ৰোপণ কৰাৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰিৱেশ সংৰক্ষণৰ সজাগতা বৃদ্ধিৰ বাবে চিত্ৰাংকন প্ৰতিযোগিতা, বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ, কেঁচু সাৰ পালন আদি বিভিন্ন বিষয়ত আলোচনা অনুষ্ঠিত হয়।

০০০০০০০০

গুৱাহাটীৰ কামাখ্যাৰাম বৰুৱা ছোৱালী মহাবিদ্যালয়ে চাৰি বছৰীয়া সংহত বি.এ. বি.এড পাঠ্যক্ৰমৰ বাবে ৰাষ্ট্ৰীয় শিক্ষক প্ৰশিক্ষণ পৰিষদ এন চি টি ইৰ স্বীকৃতি লাভ কৰিছে। মহাবিদ্যালয়খনত ৫০গৰাকী শিক্ষাৰ্থীয়ে এই পাঠ্যক্ৰমত নামভৰ্তি কৰিব পাৰিব। ইয়াকে লৈ ৰাজ্যত সংহত বি.এ. বি.এড পাঠ্যক্ৰমৰ সুবিধা থকা মহাবিদ্যালয়ৰ সংখ্যা ২৭লৈ বৃদ্ধি পাইছে।

০০০০০০০০

দৰং কৰ্কট কেন্দ্ৰ আৰু পশ্চিম দৰঙৰ এটা স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত আজি দুনী স্নাতক মহাবিদ্যালয় আৰু দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগণত কৰ্কট ৰোগ সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত ৰোগীসকলৰ প্ৰাথমিক স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। কাৰ্যসূচীত দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ ছহিদুল ইছলামে এই ৰোগৰ সাৱধানতা, লক্ষণ, সজাগতাৰ লগতে এইচ পি ভি প্ৰতিষেধকৰ বিষয়ে অৱগত কৰোৱা হয়। দৰং কৰ্কট কেন্দ্ৰৰ ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই কেন্দ্ৰটোত উপলব্ধ চিকিৎসা সা-সুবিধাসমূহৰ বিষয়ে সকলোকে অৱগত কৰে।

০০০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ  ৱাংখেড়ে ষ্টেডিয়ামত খন্তেক পাছতে দ্বিতীয়খন ছেমি ফাইনেলত  ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইংলেণ্ডে টছত জিকি ভাৰতক প্ৰথমে বেটিং কৰাৰ বাবে আমন্ত্ৰণ জনাইছে।

আজিৰ বিজয়ী দলটোৱে দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত নিউজিলেণ্ডৰ সন্মুখীন হ'ব।

০০০০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ নিবাসী তথা কাৰ্বি প্ৰগতিশীল নাৰী সন্থাৰ অন্যতম নেত্ৰী আৰতি তেৰাংপিৰ আজি ডিমাপুৰৰ এখন চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭০ বছৰ।

০০০০০০০০

ঃঃ সমাপ্ত ঃঃ